প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

### পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত গ্ৰাম্য উন্নয়ন আঁচনি ৰূপায়ণ

# শোণিতপুৰ আৰু বিশ্বনাথ জিলাত আঁচনি ৰূপায়ণ সম্পৰ্কত পৰ্যালোচনা সভা মন্ত্ৰী নৱ দলেৰ

## সকলো পঞ্চায়তে অধিক গতিশীলতাৰে কাম কৰিবলৈ আহ্বান মন্ত্ৰী দলেৰ

**তেজপুৰ, ৮ জুন ঃ** " অসমৰ গ্ৰাম্য অৰ্থনীতি অধিক সবল কৰাৰ বাবে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। ইয়াৰ বাবে পোনপটীয়াকৈ মজুৰিভিত্তিক কৰ্মসংস্থাপন দিব পৰা এমজিএনৰেগাৰ অধীনত সামূহিক কামৰ উপৰি যোগ্যতা অনুসৰি ব্যক্তিগত হিতাধিকাৰী আঁচনি গ্ৰহণৰ ওপৰতো অধিক গুৰুত্ব দিব লাগিব।"— শোণিতপুৰ জিলা পুথিভঁড়াল প্ৰেক্ষাগৃহত শোণিতপুৰ আৰু বিশ্বনাথ জিলাৰ গ্ৰামোন্নয়নৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লোৱাৰ উদ্দেশ্যে আজি অনুষ্ঠিত হোৱা পৰ্যালোচনা সভাত উপস্থিত থকা জিলা দুখনৰ সকলো ক্ষেত্ৰীয় বিষয়াক উদ্দেশ্যি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেয়ে এইদৰে কয়। তেওঁ লগতে কয় যে অৰ্থনৈতিকভাৱে অতি দুৰ্বল পৰিয়ালৰ বাবে উপাৰ্জনৰ এক ফলপ্ৰসূ উপায় হিচাপে তেওঁলোকৰ ইচ্ছা আৰু সুবিধা অনুসৰি তালিকাভুক্ত ব্যক্তিগত আঁচনি দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ বাবে বিভাগৰ বিষয়ববীয়াসকলক একগোট হৈ কাম কৰি প্ৰতিখন আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণত সক্ৰিয় ভূমিকা পালন কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। ইয়াৰ বাবে সময়োপযোগী আঁচনি ল'বলৈও তেওঁ আহ্বান জনায়। কোনো ক্ষেত্ৰতে যাতে কাম কৰিবলৈ আগ্ৰহী লোক বঞ্চিত হ'ব নালাগে তাৰ প্ৰতি নজৰ ৰাখিবলৈ জিলা উপযুক্তকে ধৰি বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিয়ে। তদুপৰি এমজিএনৰেগাৰ কামত মহিলাসকলৰ অংশগ্ৰহণ ৫০শতাংশলৈকে বঢ়োৱাৰ পদক্ষেপ ল'বলৈও মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে বৰ্তমানৰ দুৰ্যোগৰ সময়ত গ্ৰাম্য উন্নয়নৰ সকলো আঁচনি সফলতাৰে ৰূপায়ণ কৰি যাতে গ্ৰাম্য দুখীয়া জনসাধাৰণক প্ৰকৃতাৰ্থত সহায় কৰাৰ লগতে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা ৰাজ্যৰ অৰ্থনৈতিক পৰিকাঠামো সবল ৰূপত ধৰি ৰাখিব পাৰি তাৰ বাবে বিভাগীয় মন্ত্ৰীগৰাকীয়ে প্ৰতিটো ক্ষেত্ৰতে নিজে সুক্ষ্মভাৱে তদাৰক কৰি আছে। ইয়াৰে অংশ হিচাপে জিলাই জিলাই পৰ্যালোচনা সভা অনুষ্ঠিত কৰি সকলো ক্ষেত্ৰীয় বিষয়া-কৰ্মচাৰীক সজাগ কৰাৰ লগতে প্ৰেৰণা যোগাবলৈ পদক্ষেপ লৈছে। ইতিমধ্যে কেইবাখনো জিলাত পৰ্যালোচনা সভা অনুষ্ঠিত কৰি বিভাগৰ বিষয়ববীয়াসকলক সজাগ কৰি তোলা হৈছে।

সভাত বিভাগৰ দ্বাৰা ৰূপায়িত অন্যান্য আঁচনি যেনে প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণ (পিএমএৱাই-জি), ৰাষ্ট্ৰীয় সামজিক সাহায্য আঁচনি (এনএছএপি), চতুৰ্দশ বিত্তীয় আয়োগ, পঞ্চায়তৰ নিজা ৰাজহ সংগ্ৰহৰ ব্যৱস্থা আদিৰ উপৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (এএছআৰএলএম)ৰ কাম-কাজ সম্পৰ্কত বিশদভাৱে পৰ্যালোচনা কৰা হয়।

সভাত বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কাই জিলা দুখনত গ্ৰামোন্নয়ন আঁচনিসমূহৰ ৰূপায়ণ সম্পৰ্কত বিতং তথ্য উপস্থাপন কৰে। ইয়াৰ ভিত্তিত মন্ত্ৰী দলেয়ে বিভিন্ন আঁচনিৰ ৰূপায়ণ খৰতকীয়া

কৰিবৰ বাবে ক্ষেত্ৰীয় পৰ্যায়ত সন্মুখীন হৈ থকা অসুবিধাসমূহৰ বুজ লোৱাৰ লগতে এই অসুবিধাসমূহ দূৰীকৰণৰ অৰ্থে বিভিন্ন পদক্ষেপ লোৱাৰ বাবে পৰামাৰ্শ আগবঢ়ায়। তদুপৰি প্ৰতিটো আঁচনিৰ আধৰুৱা কামসমূহ সম্পূৰ্ণ কৰিবৰ বাবে সময় নিৰ্দ্ধাৰিত কৰি দিয়ে। বৰ্তমানৰ সংকটপূৰ্ণ সময়ত এমজিএনৰেগাৰ জৰিয়তে গ্ৰাম্য দুখীয়া জনসাধাৰণৰ লগতে বহিঃৰাজ্যৰ পৰা আহি নিৰনুৱা হৈ থকা লোকসকলকো মজুৰিভিত্তিক কামেৰে উপকৃত কৰাৰ ক্ষেত্ৰত পালন কৰিব পৰা ভূমিকা সম্পৰ্কে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে এই বিষয়ে সজাগতা সৃষ্টি কৰি সকলোকে কাম কৰিবলৈ আগবঢ়াই অনাৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। তেওঁ লগতে সময়মতে সকলো আগ্ৰহী ব্যক্তিক জব কাৰ্ড প্ৰদান কৰাৰ উপৰি কাম আৰু মজুৰিও সময়মতে দিয়াৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি ভুৱা জব কাৰ্ডেৰে যাতে কোনো দুষ্ট চক্ৰই মজুৰিৰ ধন হৰলুকি কৰিব নোৱাৰে তাৰ বাবে জব কাৰ্ড নিৰীক্ষণ আৰু হিতাধিকাৰীৰ বেংক একাউণ্ট পৰীক্ষাকৰণ কাৰ্য এসপ্তাহৰ ভিতৰত সমাপ্ত কৰিবলৈ নিৰ্দেশ দিয়ে।

পিএমএৱাই-জিৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ বাকী থকা আৱাস গৃহসমূহ দুমাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশনা দি ভূমিহীন পৰিয়ালসকলৰ বাবে পাৰিলে গোটভিত্তিত ভূমি প্ৰদানৰ ব্যৱস্থা কৰিবলৈ জিলা উপায়ুক্তক নিৰ্দেশ দিয়ে। তদুপৰি পিএমএৱাই-জিৰ হিতাধিকাৰীসকলে পাবলগীয়া ৯৫ দিনৰ মজুৰি তৎকালীনভাৱে প্ৰদান কৰিবলৈও নিৰ্দেশ দিয়ে।

আনহাতে জিলাখনৰ সমূহ পঞ্চায়তে চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত লাভ কৰা টকাৰে ফলপ্ৰসূ আঁচনি গ্ৰহণ কৰি অহা তিনিমাহৰ ভিতৰত এই পুঁজি সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়ে। এই আঁচনিৰ অধীনত ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান আদি চেনিটাইজ কৰাৰ উপৰি সৌৰশক্তি চালিত বিদ্যুত যোগান ব্যৱস্থাও সুপৰিকল্পিতভাৱে হাতত ল'বলৈও লগতে তেওঁ নিৰ্দেশ দিয়ে।

জিলাখনৰ ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনা পদ্ধতি (পিএফএমএছ)ত পঞ্জীয়ণ নোহোৱা এনএছএপিৰ অধীনৰ হিতাধিকাৰীৰ তথ্যসমূহ এসপ্তাহৰ ভিতৰত পুনৰীক্ষণ কৰি যাৱতীয় ব্যৱস্থা লোৱাৰ লগতে সাৰ্বজনীন বৃদ্ধ আৰু বিধৱা পেন্সন আঁচনি দুখনত গাঁৱৰ লগতে নগৰ অঞ্চলৰ হিতাধিকাৰী অন্তৰ্ভুক্ত কৰিবলৈও মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে।

আনহাতে এএছআৰএলএমৰ অধীনৰ আত্মসহায়ক গোটসমূহৰ বাকী থকা বেংক একাউণ্টসমূহ খোলাৰ বাবে জিলা উপায়ুক্ত আৰু মুখ্য কাৰ্যবাহী বিষয়াক আগভাগ ল'বলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। আনহাতে সকলো গাঁও পঞ্চায়তকে ২,০০০ কৈ মাস্ক কিনিবলৈ ইতিমধ্যে দিয়া নিৰ্দেশ তৎকালীনভাৱে কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিয়ে।

আজিৰ পৰ্যলোচনা সভাত বিহালী সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী ৰঞ্জিত দত্ত আৰু তেজপুৰ, চতিয়া, বিশ্বনাথ, গহপুৰ আৰু বৰচলা সমষ্টিৰ বিধায়ক ক্ৰমে বৃন্দাবন গোস্বামী, পদ্ম হাজৰিকা, প্ৰমোদ বৰঠাকুৰ, উৎপল বৰা আৰু গনেশ লিম্বু, শোণিতপুৰ আৰু বিশ্বনাথ জিলা পৰিষদৰ সভানেত্ৰী ক্ৰমে ডলি সুৰীণ আৰু লাৱণ্য চাৰেঙীয়া, শোণিতপুৰ জিলাৰ উপায়ুক্ত মানৱেন্দ্ৰ প্ৰতাপ সিং, শোণিতপুৰ আৰু বিশ্বনাথ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ক্ৰমে দিগন্ত বৈশ্য আৰু ট্ৰিপুৰেন্দ্ৰ পাটৰ উপস্থিত থাকে। সভাত প্ৰতিগৰাকী বিধায়কে এমজিএনৰেগাৰ ক্ষেত্ৰত ব্যক্তিগত হিতাধিকাৰী আঁচনি গ্ৰহণত গুৰুত্ব দিয়ে আৰু আঁচনিসমূহৰ সফল ৰূপায়ণত গুৰুত্ব দিব বুলি বিভাগীয় মন্ত্ৰী দলেক আশ্বাস দিয়ে। আনহাতে বিভাগৰ আয়ুক্ত হেমেন দাসে কম দিনৰ ভিতৰত আৰু কেইখনমান নতুন আঁচনিৰে গ্ৰাম্য জনসাধাৰণক উপকৃত কৰাৰ ব্যৱস্থা লোৱাৰ বিষয়ে উল্লেখ কৰে।

আজিৰ পৰ্যালোচনা সভাত বিভাগৰ প্ৰধান সচিবকে ধৰি সমূহ বিষয়াৰ লগতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক উৎপলা শইকীয়া আৰু অন্যান্য বিষয়াসকল উপস্থিত থাকে।

*এম আৰ ডি/০৮-০৬-২০২০*


REVIEW MEETING ON
IMPLEMENTATION OF VARIOUS PANCHAYAT
&
RURAL DEVELOPMENT SCHEMES OF
SONITPUR DISTRICT & BISWANATH DISTRICT
BY
HON'BLE MINISTER, P&RD, SHRI NABA KR. DOLEY,
ACCOMPANIED BY
DR. J.B. EKKA, IAS, PRINCIPAL SECRETARY
&
SHRI HEMEN DAS, IAS, COMMISSIONER,
DEPARTMENT OF PANCHAYAT & RURAL DEVELOPMENT
VENUE: DISTRICT LIBRARY, TEZPUR
Date: 08/06/2020 Time: 10:00 AM


REVIEW
IMPLEMENTATION O
RURAL DEVELOP
SONITPUR DISTRICT
HON'BLE MINISTER, P&R
ACCOMPA
DR. J.B. EKKA, IAS, PR
SHRI HEMEN DAS, IA
DEPARTMENT OF PANCHAYAT
VENUE: DISTRICT L
Date: 08/06/2020
SHOT ON REDMI NOTE5 PRO
MI DUAL CAMERA


SHOT ON REDMI NOTE5 PRO
MI DUAL CAMERA


SHOT ON REDMI NOTE5 PRO
MI DUAL CAMERA